**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2026 **Time :**1100 Hrs.

***Assamese Morning Bulletin***

অসমৰ চাহে নতুন অভিলেখ সৃষ্টি কৰিছে। ঢেকীয়াজুলি টি ইষ্টেটৰ অসম চি টি চি চাহে গুৱাহাটী চাহ নিলাম কেন্দ্ৰত প্ৰতি কিলোগ্ৰামত ৮০০ টকাকৈ লাভ কৰিবলৈ সমৰ্থ হৈছে। থমাচ এণ্ড কোম্পানী প্ৰাইভেট লিমিটেডে এই চাহ ক্ৰয় কৰে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষত হকমল টি ইষ্টেটৰ চাহেও প্ৰতি কিলোগ্ৰামত ৮৩১ টকা মূল্য লাভ কৰি অভিলেখ সৃষ্টি কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ বিশ্ব দৰবাৰত উজলি উঠাত আনন্দ প্ৰকাশ কৰিছে। তেওঁ কয়, যে ঢেকীয়াজুলিৰ চাহে গুৱাহাটী চাহ নিলাম কেন্দ্ৰত প্ৰতি কিলোগ্ৰামত ৮০০ টকা মূল্য লাভ কৰি অসমৰ চাহৰ উৎকৃষ্ট মান আৰু ক্ৰমবৰ্ধমান চাহিদাৰ স্বাক্ষৰ বহন কৰিছে। প্ৰায় ২০০ বছৰ গৌৰৱময় ঐতিহ্য বহন কৰা অসমৰ চাহ উদ্যোগক অধিক শক্তিশালী, আধুনিক আৰু বিশ্বমুখী কৰি তুলিবলৈ চাহ বাগিচাৰ ভাই-ভনীসকলৰ অক্লান্ত সহযোগিতাত বৰ্তমানৰ চৰকাৰখনে দায়বদ্ধতাৰে কাম কৰি তাৰ সুফল কৰিছে বুলিও তেওঁ কয়।

শেহতীয়াকৈ ৰাজ্য চৰকাৰে পৰম্পৰাগত চাহৰ প্ৰতি কিলোগ্ৰামত ১৫ টকাৰ অনুদান ঘোষণা কৰা কাৰ্যই অধিক উৎপাদকক গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰিবলৈ উৎসাহিত কৰিব বুলি আশা কৰি হৈছে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে আজি পুৱা ঈদৰ নামাজ পঢ়া হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়ে। শ্ৰীভূমি জিলাৰ বিভিন্ন মছজিদ আৰু ঈদগাহত পুৱাৰ ভাগতে ভালেসংখ্যক লোকা সমূহীয়া নামাজ পঢ়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঈদ-উজ-জোহা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱ হৈছে ভক্তি, ত্যাগ আৰু নিস্বাৰ্থতাৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক মানৱতাৰ সেৱাৰ বাবে অনুপ্ৰাণিত কৰে। সমাজত প্ৰেম আৰু সম্প্ৰীতিৰ প্ৰসাৰৰ হকে সংকল্প শক্তিশালী কৰিবলৈ তেওঁ সকললোলৈ আহ্বান জনায়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঈদ উপলক্ষে ৰাজ্যবাসী বিশেষকৈ ইচলাম ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাজ্যপাল আৰ্চায্যই তেওঁৰ বাৰ্তাত কয় যে, ঈদ-উল-জোহাই ত্যাগ, কৰুণা, দয়া, আস্থা আৰু ভাতৃত্ববোধৰ শ্বাশ্বত প্ৰমূল্যৰাজিক প্ৰতিফলিত কৰে। তেওঁ লগতে সমাজৰ

সকলো শ্ৰেণীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰি  শান্তি-সম্প্ৰতি আৰু পাৰস্পৰিক সন্মানৰ মনোভাৱেৰে এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

এই পবিত্ৰ উৎসৱে এখন সৰ্বাত্মক আৰু মৰম ভালপোৱাৰে ভৰা সমাজ গঢ়াৰ বাবে সদিচ্ছা, সহিষ্ণুতা আৰু সমুহীয়া দায়িত্বৰ আৰ্দশৰাজি বৰ্তাই ৰাখিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ সম্প্ৰতি সদভাৱনা আৰু ভাতৃত্ববোধৰ চহকী ঐতিহ্য ৰাজ্যখনৰ মহান শক্তি বুলি অভিহিত কৰি  শ্ৰীআচাৰ্য্যই এই উৎসৱে ৰাজ্যৰ জনসাধাৰণৰ মাজত একতা আৰু বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁ বাৰ্তাত ঈদৰ এই পৱিত্ৰ উৎসৱে সকলোৰে অন্তৰ আত্মা ত্যাগ, বিশ্বাস আৰু ভাতৃত্ববোধৰ আদৰ্শৰেৰে উজ্বলাই তুলিব বুলি আশা প্ৰকাশ কৰে।

0000000

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কক্ষত কালি চ'কবজাৰ এলেকাৰ বহু মহলীয়া পাৰ্কিং স্থান সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত এই সন্দৰ্ভত পূৰ্বতে অনুষ্ঠিত বৈঠকৰ ধাৰাবাহিকতা ৰক্ষা কৰি অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ বৈঠকখনত অঞ্চলটোৰ বহু মহলীয়া পাৰ্কিং স্থান নিৰ্মাণ প্ৰকল্পৰ সৈতে জড়িত সংশ্লিষ্ট বিভাগসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। প্ৰকল্পটোৰ অগ্ৰগতিৰ বুজ লৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্মাণকাৰ্য আৰু ব্যৱসায়ীসকলৰ পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ বিভাগীয় বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াসকল, লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলৰ লগতে প্ৰকল্পটোৰ সৈতে জড়িত অন্যান্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

000000000

ওদালগুৰি জিলাৰ আৰক্ষীয়ে জিলাখনত মাদক দ্ৰব্য বিৰোধী অভিযান তীব্ৰ কৰি তুলিছে। যোৱা নিশা গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে ওদালগুৰি চহৰৰ মহিলা বজাৰত প্ৰায় ২ কিলোগ্ৰাম গাঞ্জাসহ এগৰাকী মহিলাক আটক কৰে। ইফালে ৰৌতা থানাৰ আৰক্ষীয়ে কালি সন্ধিয়া ৰৌতা ৰে'ল ষ্টেচনৰ সমীপৰ পৰা ৪৬ কিলোগ্ৰাম গাঞ্জাৰ সৈতে এজন সৰবৰাহকাৰীক আটক কৰে।

00000000

**সমাপ্ত**